সভাসদৰ বাচ।

গুদনাইট্ চাৰ, লিমিটেড্ কম্পেনী, তীৰ্থযাত্ৰী, বৰযাত্ৰী,
উনৈশ-শ-সাতত্ৰিশ, এশ দহধাৰা আদি
যেমেলীয়া নাটক লিখক।

শ্ৰীকুমুদচন্দ্ৰ বৰুৱা
প্ৰণীত—

... ...

গুদনাইট্ চাৰ, লিমিটেড্ কম্পেনী,
গুৱাহাটী অনাতাৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত।

চৰিত্ৰ

ভৱকান্ত, পৱন, লাহেশ্বৰ, কলাই, খগেন, গেন্ধেউ, চন্দ্ৰা আৰু
সভাসদসকল ।

মূল্য—৷৶০ অনা মাত্ৰ

সভাসদৰ নাচ।

ভৱকান্তৰ ঘৰ

(লাহেশ্বৰে নাম গাই আছে)

নাম

বিহুতি আহিলে বিহুতি যাবগৈ,
গাই যাও বিহুৰে নাম।
মনত গুণো-গাঁঠো সমনীয়াৰ সতে
কেনেকৈ হুচৰি গাম॥

(পাচফালৰ পৰা কলাই আছে)

কলাই—হয়, হয়, কেনেকৈ হুচৰি গাম। ঘৰলৈ যাবলৈ গা নাচি আছে। তই মাঘৰ বিহুত গৈ অহা নাই আৰু যাবৰ সময়ত তই কোৱা নাছিলিনে যে কলাই ব'হাগৰ বিহুত যাব, মই মাঘৰ বিহুত যাওঁ।

লাহেশ্বৰ—তেতিয়া যেনিবা কলোয়েই এতিয়া কেলেই কম। এইহেন বহাগৰ বিহুটোত ঘৰলৈ নোযোৱাকৈ পাৰিছে হয়।

কলাই –মই হাকিমক সুধি থৈছো।

লাহে—কি বুলি ?

কলাই—এই বিহুটোত ঘৰলৈ যাম বুলি।

লাহে—হাকিমে মূৰ ঢুপিয়াইছিলনে ?

কলাই—ঢুপিয়াইছিলতো।

লাহে—হেঃ ঢুপিয়াইছিল। চাম তই কেনেকৈ যায়।

কলাই—অমুকা কলাইয়ো পৰিমৰা মানুহ নহয়, ময়ো চাম, তইনো কেনেকৈ ঘৰৰ ফালে খোজ লয়। তোৰ নিচিনা এটা ঠগ্‌ এই ভূভাৰতত নাই। "বহাগৰ বিহুত কলাই যাব, মই মাঘৰ বিহুত যাওঁ; মাঘৰ বিহুত গৈ আহিলি এতিয়া বহাগৰতোতো পাখি মেলিছ। বন্দবস্ত মতে কাম কৰিব লাগে বুজিছ।

লাহে—আজিকালি সংসাৰত বন্দবস্ত মতে কাম কোনে কৰিছে অ' তই দেখোন বন্দবস্ত কৰিছিলি যে ৰাতিপুৱা তই কোৰ মাৰিবি আবেলি মই মাৰিম।

কলাই—আজি বজাৰত শাক-পাচলি বিলাকৰ বৰ দাম বোপাই।

লাহে—বোলো কথা পাহৰাইছ কেলেই, কোৰ মাৰিছিলিনে ?

কলাই—জলকীয়া বিলাকৰো এনে দাম উঠিল।

লাহে—বোলো কোৰ মাৰিছিলিনে ?

কলাই—কালি মটৰগাড়ী এখনে মানুহ এটা এনে খুন্দিয়ালে।

লাহে—খুন্দিয়ালেই যেনিবা, কোৰ মাৰিছিলিনে ? বন্দবস্ত মতে কাম কাৰছিলিনে ?

কলাই—তই একা, তই একা, ৰাতিপুৱা ৰাতিপুৱা তই চোতাল সাৰিম বুলি কৈছিলি, আবেলিৰ পাল মোৰ গাত আছিল। তই জানো ৰাতিপুৱা চোতাল সাৰিছিলি ?

লাহে—(মনে মনে) ই মোকো ফান্দত পেলালে।

কলাই—এতিয়া মুখেৰে নেমাত কেলেই, ৰাতিপুৱা চোতাল সাৰিছিলিনে ?

লাহে—ৰ, মই বৰ মস্ত কথা এটা ভাবিছো।

কলাই—মোৰ কথাৰ উত্তৰ দেছোন। চোতাল সাৰিছিলিনে ?

লাহে—(চকুপোন্দাই) ইমান মস্ত কথা এটা ভাবোতে মোক আমনি কৰিবলৈ নাহিবি।

কলাই—চোতাল সাৰিছিলিনে ? (লাহেশ্বৰে নেমাতে)

কলাই—নেমাত কেলেই। চোতাল সাৰিছিলিনে ?

(লাহেশ্বৰে নেমাতে)

কলাই—চোতাল সাৰিছিলিনে ?

লাহে—সাৰো নেসাৰো তোক কেলেই অ' তোক কেলেই

(খেদামাৰি যায়)

কলাই—আবেলি কোৰ মাৰোনে সেই কথানো মোক সোধা, তোৰ কি দৰ্কাৰ, (কলায়েও খেদামাৰি যায় এনেতে নেপথ্যত কোনোবাই বিহু নাম গায়, দুয়ো কাণ পাতি শুনে)

নাম

আজিঐ ৰঙৰে দিনেঐ পান্ধেঐ

আজিঐ বিহুৰে দিন।

খঙকে তিয়াগি ৰঙত নাচি বাগি

বিহুৰে ৰখাই যা চিন॥

কলাই—শুনিছ লাহেশ্বৰ, আজি কাজিয়াৰ দিন নহয়। আজি বিহুৰ দিন, ৰং ৰহস্যৰ দিন।

লাহে—এৰা গলো খেদা মাৰি খঙত।

কলাই—তই অহা দেখি ময়ো গলো।

(কান্ধত ধৰা ধৰি কৰি দুয়ো গাই)

নাম

এৰিলো খঙকে চেনেহৰ বান্ধে ঐ

খঙকে নিদিও ঐ লাই।

খঙকে সাৱতি ধৰিলে বান্ধে ঐ

সকলো অথলে যায়।

(কোনোবা অহাৰ শব্দ শুনে)

কলাই—সেইজন পালেহি হুবলা, খাব এতিয়া।

(কলাই যায়, ভবকান্ত আহে)

ভবকান্ত—কাম কাজ কৰিব নোৱাৰ, ইয়াত আহি দুয়োটাই বিহু নাম গাইছহি।

লাহে—"দুয়োটাই" মানে দেউতা।

ভৱ—কলাই আৰু তই।

লাহে—কলাইক মই দেখাই নাই দেউতা।

ভৱ—ছুটা মানুহে একেলগে গোৱা যেন শুনিছো। মোক আকৌ ফাকি দিবলৈ আহিছ।

লাহে—কেলেই ফাকি দিম দেউতা, মোৰ মাতটো গল ডাঙৰ ঘৰটোত ৰুনজুনাই উঠে, সেই কাৰণে ছুটা মানুহে গোৱা যেন শুনিলে হবলা।

ভৱকান্ত—কথা কবলৈ আহিছ। খালি বিহুনাম, খালি বিহুনাম।

লাহে—বিহুনাম নহয় দেউতা হৰি নামহে গাইছিলো। তাতে আজি বিহু নাম গালেও একো হানি নাই। আজি গৰু বিহু নহয়।

ভৱ—থ, থ, তোমাৰ বিহু, মানুহ বিহু, গৰু বিহু, ঘোৰা বিহু, হাতি বিহু, মেকুৰী বিহু, খালি বিহু, খালি বিহু। কলাই কলৈ গল।

লাহে—কৈছো নহয় দেউতা, কলাইক মই দেখাই নাই। কাম বন নকৰি কত ঘূৰি ফুৰে কবই নোৱাৰো। মই দেউতা কামো কৰিছো, নামো গাইছো।

ভৱ—কি কাম কৰিছ ?

লাহে—চেঃ দেউতা পাহৰি গলো। (মূৰ খজুৱাই) কি কাম কৰিছিলো।

ভৱ—পাহৰি গলি, ভাত খাবলৈ নেপাহৰনে ?

লাহে—সেই মুঠি খাবলৈ পাহৰিলে চকু মুদিবহে লাগিব।

ভৱ—কথা এনে সুন্দৰকৈ কব জান তহতে। যা এতিয়া কাম কৰগৈ। (যায়)

লাহে—দৰমহা কিমান দিছে, কাম কৰিবলৈ। খালি গৰু বান্ধ, কোৰমাৰ, গোবৰ পেলা, চাহ-পানী দে, বজাৰ কৰিবলৈ হলে মোক নিদিয়ে দিয়ে কলাইক। মই কিজানি বজাৰৰ পয়চা খাও। কলাই জানো কম। তিনিপোৱা মাহত এপোৱা শিল গুটী মিহলাই এসেৰ কৰি অনাতোহে। (অলপৰৈ) ঘৰলৈ যোৱাৰ কথা সুধিবই নোৱাৰিলো। চকু কেইটা যিহে জলকীয়াৰ গুৰি যেন হৈ আছে। সুধিলে জানোছা সেই হাতত থকা সৌকা দালেৰে কোবাই দিয়ে।

(কলাই আহে)

কলাই—তোক কোবাবহে লাগে। হাকিমৰ আগত মই কাম বন নকৰো বুলি কেলেই লগাইছিলি ?

লাহে—হেৰ অকৰা, তই যদি খুব কাম কৰ বুলি কও তেন্তে তোক কামকেহে কৰিবলৈ দিব আৰু সখুলি কাম-বন নকৰ বুলিলে সেইটোক কোনে কাম-বন কৰিবলৈ পাচে বুলি তোক বহি থাকিবলৈহে দিব। ভাল কলত আকৌ বেয়া গুনিলি।

কলাই—আঐ দেহি মোৰ চেনেহত এও পমি গল। মই কাম কৰি হাৰ ভগাযেন দেখিলে এওঁৰ বেজাৰত চকু-পানী ওলাই। তোৰ নিচিনা এটা ভাল শিয়াল পৃথিবীত আৰু নোলাই।

লাহে—(খঙেৰে) শিয়াল হুবুলিবি দেই।

কলাই—খং নো খাইছ কেলেই ?

(গায়) আজি ঐ ৰঙৰে দিনেঐ বাজে ঐ

আজি ঐ বিহুৰে দিন।

লাহে—অ' হয়, হয়, পাহৰিলোয়েই, আজি বিহুৰ দিন আজি ৰঙৰ দিন।

দুয়ো—(গায়) খঙকে তিয়াগি ৰঙত নাচি-বাগি

বিহুৰে ৰখাই যাওঁ চিন।

লহে—সেইজন ওলাই চকু পোন্দাই ধৰেহিহে লাগে। যাওঁ, কাম খিনিৰ লেঠা মাৰি থওঁগৈ। (যায়)

কলাই—ইস্ ই আকৌ এতিয়া বৰ কামিলা হৈ পৰিল। কথা পাতোতেও টোপনিয়াই থকাটোহে ভই। (অলপ বৈ) তাৰ চিন্তা হৈছে সি সোনকালে কেনেকৈ তাৰ ঘৰ পায়গৈ। মোৰো সেই ভাকেই চিন্তা, কেনেকৈ ঘৰ পাওঁ, কেনেকৈ চিৰা-পিঠা খাওঁ কেনেকৈ হুচৰি গাওঁ। (ভরকান্ত আহে)

ভরকান্ত—কলাই কি কৰিছ ? (কলায়ে উচাপ খাই উঠে)

কলাই—দেউতা, দেউতা আছোহে।

ভর—আছোহে আছোহে মাৰিবলৈ আহিছ।

কলাই—মই ভাবিছো দেউতাই মোক ইমান মৰম কৰে, কিন্তু মই গোলামে দেউতাৰ কাৰণে একোটো কৰিবপৰা নাই।

ভর—বাক থোৱা, তুমি মোৰ কাৰণে কান্দি মৰিব নেলাগে। লাহেশ্বৰ কলৈ গ'ল ?

কলাই— তোৰ কথা মোক দেউতা সুস্থিৰ, সেইগৌক এনেয়ে দৰমহা কেইটকা দি পানীত পেলাইছে আৰু ভাতহে যি গাল খায়।

ভৱ—তুমি কম খোৱা হবলা।

কলাই—দেউতা লাহেশ্বৰতকৈ মই অলপ কম খাওঁ যেন লাগে।

ভৱ—মিছা কথা, তোমাৰ লাহেশ্বৰতকৈ এগালি সৰহ।

কলাই—নহয় যেন লাগছে।

ভৱ—বাৰু যোৱা এতিয়া, তোমাৰ কথা নেলাগে। আজিৰ ভিতৰত সেই মাটি ডোখৰ কোৰ মাৰি উলিয়াব লাগিব। নহিলৈ কুলপুলি হব লাগে। শুনিছনে নাই ?

কলাই—শুনিছো দেউতা!

ভৱ—কাম পূৰা হৈ থাকিব লাগিব।

কলাই—কলাইৰ ওপৰত ভাৰষা কৰিলে সকলো পূৰা হৈ থাকে।

ভৱ—বৰ কথা চকো তই। (ভৱকান্ত যায়)

কলাই—আজি বিহুৰ দিনা ঘৰলৈ নগৈ মই কোৰ চুম, এনে কথা হব পাৰেনে ?

(লাহেশ্বৰ আহে)

লাহেশ্বৰ—মই ভাত সৰহকৈ খাওঁ, তই কমাই খাব, এনে কথা হব পাৰেনে ?

কলাই— তই হবলা শুনি আছিলি। সেইদৰে কথা শুনি থাকিব নেপায় নহয়।

লাহে—ইস্ ই বৰ কথা শুশুনাতো ওলালহি। মই ভাত সবহকৈ খাওঁ, তই কমাই খায়।

কলাই—ক'ৰ অকৰা অ' এইটো, বুজা নাইনে মই হাকিমৰ আগত কিয় সেইদৰে কৈছিলো, তই ভাত সবহকৈ খায় বুলিলে তোক বেগাই ঘৰলৈ যাবলৈ দিব। তোৰ কাৰণে মই খুব ভাবো নহয়।

লাহে—ভাত সবহকৈ খোৱাৰ কথা কৈহে তই মোৰ ওচৰত চেনেহতো দেখুৱাবলৈ পালি, অইন কথা আৰু তোৰ মুখৰ পৰা নোলাল।

কলাই—(বাহিৰ ফালে চাই) হেৰ সেইজন আহিছে। তুয়োটাকে ইয়াত দেখিলে খুদাই নেৰে, যা, যা বেগাই যা,

(লাহেশ্বৰ যায় ভৰকান্ত আহে)

ভৰ—তই যোৱাই নাই হবলা?

কলাই—দেউতা এজাৰখন কৰিব লাগিছিলে।

ভৰ—কি নাই?

কলাই—ভেন্দি নাই।

ভৰ—তই ভেন্দি খাই ভাল পাৱ কাৰণে প্ৰথমেই ভেন্দি নাই বুলি কৈছ, আৰু কি নাই?

কলাই—জলকীয়া।

ভৰ—সেই দুটা বস্তুকে তই বেছি ভাল পাৱ কাৰণে সেই দুটাৰ আগতে নাম কাঢ়িছ, অ' মোৰ কাপোৰ কেইটা ধোবা ঘৰৰ পৰা আনিলিনে?

কলাই—দেউতা ধোবাক লগেই নেপালো আজিও সেই একে কথা।

চন্দ্ৰা—(ভিতৰৰ পৰা) একেবাৰে মিছা কথা ককাইদেউ কালি দিনতো সি শুই আছিল মই উঠিবলৈ কলত সি কলে "আইদেউ দৰমহা কেইটকা দিছে"।

ভৱ—হয়নে কলাই তই সেই দৰে কৈছিলি।

(কলায়ে মূৰ খজুৱাই)

নেমাত কেলেই—

কলাই—দেউতা মই ভাবিয়েই আছো সেইদৰে কৈছিলোনে নাই

ভৱ—অ' লাহেশ্বৰ।

(লাহেশ্বৰে দেউতা বুলি ভিতৰৰ পৰা ওলাই আহে)

হয়নে কালি ই দিনটো—

লাহেশ্বৰ—হয় দেউতা কালি ই দিনটো—

কলাই—কাম বন কৰি থকা নাইনে বাৰু ?

ভৱ—তাক কবলৈ নিদি তই মুখতে ধৰিছ কিয় ?

কলাই—সিও সেইটোকেহে কব দেউতা।

লাহে—(মনে মনে) কালি দিনতো শুই আছিল, এতিয়া আকৌ কাম কৰিছিলি বুলি কেনেকৈ কম।

ভৱ—ক, লাহেশ্বৰ, ই কালি দিনটো শুই আছিলেনে নাই ?

লাহে—কালি দেউতা, ই দিনতো শুই (কলায়ে "শুই" বোলোতেই ভৱকান্তই নেদেখাকৈ লাহেশ্বৰক কবলৈ হাক দিয়ে) বহি নেথাকি অ'ত ত'ত কাম কৰি ফুৰিছিল।

ভৱকান্ত—তেন্তে চন্দ্ৰাই কেনেকৈ ক'লে ই কালি দিনতো শুই আছিল বুলি, আৰু উঠিবলৈ কলত আইদেউ দৰমহা কেইটকা দিছে বুলি কোৱা মিছানে কি?

কলাই—চন্দ্ৰা আইদেউৰ কথানো ধৰিব লাগেনে?

ভৱ—ওঁ তইঁত হে সচা মানুহ। যা এতিয়া কোনোবা এটা, ধোবা ঘৰৰ পৰা মোৰ কাপোৰ কেইটা লৈ আহগৈ। কোন যাবি কলাই নে লাহেশ্বৰ?

লাহেশ্বৰ—দেউতা কলায়েই যক। ধোবাতোৰ সৈতে তাৰ বৰ ভাল।

ভৱ—তেন্তে কলায়ে যা। লাহেশ্বৰ তুমিও যোৱা। কাম কৰাগৈ। যোৱা যোৱা ইয়াত কলাইৰ সৈতে ফুচফুচিয়া মেল মাৰিবলৈ ৰব নেলাগে। (লাহেশ্বৰ যায়) কলাই এঘণ্টাৰ ভিতৰত কাপোৰ আনি দিব লাগিব।

কলাই—এঘণ্টাৰ কথানো কেলেই কয়। কমাই কলেহে ভাল পাও।

ভৱ—বাৰু তুমি বেয়া পোৱা তোকে মই কৈছো। (যায়)

কলাই—ইতো আন সিতো আন সেইবোৰ আনি থাকোতেই মোৰ আৰু ঘৰলৈ যোৱা নহব। ঘৰলৈ যোবাৰ কথা সোধো বুলি ভাবো কিন্তু যিহে উগ্ৰমূৰ্ত্তি ধৰি আছে সুধিবলৈকে মুখখন মেল খাব নোখোজে।

(বাহৰ চুঙ্গা এটা লৈ গেন্ধেউ আহে)

অ' গেন্ধেউ কাই, কি বিচাৰি আহিছা বাহৰ চুঙাপাত লৈ।

গেন্ধেউ—হাকিম আছেনে নাই ?

কলাই—কেলেই ?

গেন্ধেউ—তইনো উবহি গছৰ ওৰতো কেলেই বিচাৰিছ ?

কলাই—এস্ এও হাকিমৰ লগত হে কথা পাতে আমি চাকৰ বিলাক মানুহেই নহয়।

চন্দ্রা—(ভিতৰৰ পৰা) গেন্ধেই কাই ককাইদেউ কেনিবা ওলাই গল হবলা।

গেন্ধেউ—(মনে মনে) ভালেই হৈছে। তেওঁ নেথাকিলে যদিহে তেল অকণ পাম। (ফুটাই) কবাচিন তেল অকণ বিচাৰি আহিছিলো কালি বজাৰৰ পৰা আনিবলৈ পাহৰিলো, আজি বিহু। তাতে হুচৰিও আহিব। নোৱাৰাত হে খুজিবলৈ আহিলো। কাৰণ বিহুৰ দিনা বস্তু খুজিব নেপায় বুলি কয়। ঘৰত সৰু লৰাটিৰো জ্বৰ।

চন্দ্রা—(ভিতৰৰ পৰা) কেনেকুৱা জ্বৰ ?

গেন্ধেউ—দাগদৰক দেখুৱাইছিলো মেলেৰীয়া বুলি কলে আৰু দেৰাহখানাৰ পৰা এটা গেৰেলা বটলৰ পৰা পানী কিছুমান বাকী দিনে তিনি পালিকৈ খাবলৈ দিছে। দৰবটোৰ নাম হেনো কিবা কলিয়ন মিচকাৰ বুলি আমাৰ গাৰব মোল্লোকাই কৈছে।

কলাই—জ্বৰ এৰিছে জানো ?

গেন্ধেউ—ক'ত জ্বৰ এৰিছে, ল'ৰা শুকাইছে গৈছে। কালি

পিছে বেজে ঔটেঙা জোপাৰ ভূত লাগিল বুলি বেজে ডোলো দিছে আৰু ঔটেঙা জোপাৰ পৰা ঔটেঙা পাৰি আনি বৰালি মাছৰ সৈতে আঞ্জা ৰান্ধি লৰাটিক তিনি-চাৰিদিন বাহী পানীৰে গা ধুৱাই ভাত খুৱালে ভূত সন্তুষ্ট হব বুলি কোৱাত তাকো খুৱাইছো। মোৰ লৰাটিৰ যে জ্বৰ হৈছে ই নিশ্চয় ভূতৰহে কাম।

কলাই—ভূতে পোৱাটোৱেই ঠিক। পিছে এনেধৰণৰ ভূতে পোৱা বেমাৰত আমাৰ গাৱঁৰ জালীয়া বেজক লগোৱা হলে একেষাৰি মন্ত্ৰতে ক'লৈ ভূতক খেদালেহেতেন তাৰ ঠিকনা নাই।

গেন্ধেউ—বাৰু এইটো বেজে কি কৰে চাওঁছোন।

চন্দ্ৰা—(ভিতৰৰ পৰা) ডাক্তৰী দৰবেই ভাল কৰিব। পিছে এইদৰে বাহী পানীৰে গা ধুৱাই বৰালি মাছত ঔটেঙা দি আঞ্জা ৰান্ধি খুৱালে জ্বৰ বেগাই নেৰে।

গেন্ধেউ—নহয় আইদেউ, ভূত সন্তুষ্ট হব জ্বৰো এৰিব।

কলাই—বাৰু এইদৰে জ্বৰ নেৰিলে কেইদিনমান পঁইতাভাত খুৱাই চাবাচোন। আমাৰ গাৱঁৰ বণায়ে জ্বৰ উঠিলেই পঁইতাভাত খায় আৰু খোৱা মাত্ৰকে গা ঘামি একেবাৰে চেঁচা হৈ পৰে।

গেন্ধেউ—সেই কথাও মনতে ভাবি থৈছোঁ।

চন্দ্ৰা—কলাই, গেন্ধেউ কাইক তেল একণ দে, তেওঁৰ বেলি হৈছে।

কলাই—আমাৰে নাই দেখোন, টিঙটোৰ তলিতে এপোৱা-মান তেল আছে। সেইকণ এওঁক দিলে আজি গধূলিৰে জুই কোবাইহে ভাত খাব লাগিব।

চন্দ্ৰা—(ভিতৰৰ পৰা) তাৰে পৰাই অকণমান দে।

(কলাই যায়)

গেন্ধেউ—বহুত চাকৰ দেখিছো কিন্তু লাহেশ্বৰ আৰু কলাইৰ নিচিনা অঘাইটং চাকৰ মই ক'তো দেখা নাই।

(কলায়ে কেৰাচিন তেলৰ টিন এটা আৰু চুপি এটা লৈ আহে।)

কলাই—চাওঁ চুঙাপাট দিয়া, (গেন্ধেউৰে দিয়ে) মোৰ হাতত দিলে কি হব, তুমি ভালকৈ চুঙাটো ধৰা, তেতিয়াহে মই তেল একণ বাকী দিব পাৰো।

গেন্ধেউ—হে'ৰ তই "চুঙাপাট দিয়া" বুলিলতহে দিছো।

কলাই—হ'ল এতিয়া মোৰ গাত দোষ দিবলৈ আহিছা, ধৰা, ধৰা, চুঙাটো ধৰা, (গেন্ধেউৰে চুঙাটো ধৰে, কলায়ে চুঙাতোৰ মুখত চুপিটো দি টিনটো চুপিটোৰ মুখত ধৰি থাকে।)

গেন্ধেউ—বিহুত ঘৰলৈ যোৱা নাই হবলা ?

কলাই—যাম যাম কৰি আছো, পিছে লোকৰ চাকৰ নহয় কেনেকৈ বেগাই যোৱা।

গেন্ধেউ—ইয়াত পিছে আজি বিহু খালিনে নাই।

কলাই—এইবোৰ বিহুখোৱা মানুহ বুলি ভাবিছানে কি ? বিহুৰ

নাম শুনিলেই বাঘে গোজবাদি গোজৰিবলৈ ধৰে।
আজি কি খালো কমনে ?

গেন্ধেউ— কচোন কি খালিনো ?

কলাই—আতাগুৰি দেখিছা নহয়, বগা যে।

গেন্ধেউ—মোক আৰু তই ইমান গাৱলীয়া পাইছনে যে মই আতাগুৰি দেখিবলৈ পোৱা নাই। আৰু আমাৰ লৰাৰ মাকে লুচি ভাজিব নেজানে বুলি ভাবিছনে কি? আজি-কালি গোটেই খনতে ছুপৰিয়া গধুলি ৰাতিপুৱা চেঁ চেঁ চাঁ চাঁ কৰি লুচি ভজাৰ হে শবদ্ লুচিৰ শবদত আজিকালি চিৰা পিঠা খুন্দা ঢেকিৰ শবদ কমি গল। আজি হবলা লুচিৰেই বিছ খালি।

কলাই—লুচি খুৱাবছে হয়। মেকুৰীৰ কান যেন পাতল শুকানে ২ খন কতি, সেইয়ে আমাৰ বিছুৰ জলপান তাৰ পাচত শাকে পাত্তে ভাত এগাল। কৰ পৰা দিলে কৰ নোৱাৰো পাতৰে নে চকৰে।

গেন্ধেউ—বঢ়িয়া বিছু খালি।

কলাই—এই চুঙাদাল অনাত কৈ বেল কোম্পানীৰ পিপা এটা লৈ নাহিলা কিয়। বুইছা গেন্ধেউ কাই তেল নিবলৈ আহিলে বটল এটা লৈ আহিব লাগে।

গেন্ধেউ—বতল নাই কাৰণেহে চুঙাটো আনিছো।

কলাই—তুমি হুৰলিক মিলিক নোখোৱা জানো।

গেন্ধেউ— জানো কি হিলিক মিলিকৰ কথা কৈছ।

কলাই—নিয়া, চুঙাটো নিয়া, বহুত দিলো,
(গেন্ধেউ এ চুঙাটো আনে)
গেন্ধেউ—পাতল পাইছো দেখোন।
(চুঙাটো জুটিয়াই দিয়ে)
হেৰ খভাসুৰ তেল নেবাকিলিয়েই দেখোন।
কলাই—চুপতি কৰি নেথাকিবা, ধৰা আকৌ চুঙাটো
(গেঙ্গেউ এ আকৌ চুঙাতো ধৰে)
গেন্ধেউ—মোৰ গাত দোষ দিয় কেলেই 'অ'।
কলাই—এইবাৰ বহুত দিছো, নিয়া।
(গেন্ধেউৱে চুঙাটো আনি জোকাৰি চায়)
গেন্ধেউ—বৰ কণ দিলি।
কলাই—তাকে যে পাইছা।
গেঙ্গেউ—থ, থ, তোৰ নিজৰ হোৱা হলে কথাই নাছিল।
কলাই—ডুঅনা মাম পয়চা দিলেতে অকণমান সৰহ দিবৰ মন যায়।
(গেন্ধেউ এ কলাইক চকুপোন্দাই ধৰে)
কলাই—থোৱা চকুপোন্দাই ধৰিব নেলাগে।
(গেন্ধেউ যায়)
কলাই—আজি বিহুৰ দিন কাৰণেহে তোক তেল একণ দিলো, তিপ চাকি এটা আধাঘণ্টা মানতে জ্বলাব পাৰিবি।
(পৱন বৰুৱা আহে)

পৱন—হেৰ দেউতাৰ ঘৰত আছেনে নাই?

কলাই—নাই কেনিবা ওলাই গৈছে।

পৱন—চেঃ মিচাকৈয়ে আহিলো। শুন, মই আহিছিলো কবি, মোক চিনি পাব নহয়।

কলাই—পাওঁ দেউতা, আপোনাক ভূ-ভাৰতে চিনি পায় যেতিয়া মইনো নেপাম কিয়?

পৱন—মোৰ নামটো কব পাৰিবি জানো?

কলাই—পাৰিম টো, (মনে মনে) মই নামটো কেনেই জানি থৈছো।

পৱন—কি বুলি কবি?

কলাই—শ্ৰীযুত (অলপ ৰই)

পৱন তাৰ পাচত।

কলাই—দেউতা আপোনাৰ নামতো কাঢ়িবলৈ বৰ লাজ পাইছো।

পৱন—বাক সেইটো একো লাজৰ কথা নহয়।

কলাই—ইমান ডাঙৰ মানুহৰ নামটোনো মই কাঢ়ো কেনেকৈ, মোক নকব, মই নোৱাৰিম, নাম কাঢ়িলে মোৰ মহাপাপ হব, নৰকত পৰিম।

পৱন—ইমান যদি বেয়া পাইছ তেন্তে তই মোৰ নাম কাঢ়িব নেলাগে, ময়ে মোৰ নামটো কৈ যাওঁ, কবি পৱন বৰুৱা আহিছিল বুলি?

কলাই—ভাল দেউতা (পৱন যায়)

জানিলেহে নামটো কব পাৰো, (অলপ বৈ) কি বকৰা বুলি গল জানো তাকো পাহৰিলো। এখেতৰ নামটোহে নেজানো কিন্তু এখেতৰ গাত যিখিনি গুণ আছে সেইখিনিৰ কাৰণে এখেতৰ বটিয়াকৈ চিনি পাওঁ। গোটেই খনতে এখেতৰ ধাৰ, ধকৰাই পয়চা খুজিলে কাইলৈ দিম বুলি তেনেকুৱা কত কাইলৈ পাৰ কৰি দিয়ে তাৰ ঠিক নাই। কেতিয়াবা আকৌ ধকৰা দেখিলে ছাতিটো মেলি দিয়ে, কথাও বৰ ডাঙৰ, যেন তেখেতৰ নিচিনা ভাল মানুহ পৃথিবীত নায়েই। (যায়, বিপৰিত ফালৰ পৰা পৱন আৰু ভৱকান্ত আহে)

পৱন—মই ঘূৰিহে গৈছিলো তোমাক লগ নেপাওঁ বুলি।

ভৱ—মই ওচৰতে আছিলো, (দুৱো বহে)

অ' লাহেশ্বৰ, লাহেশ্বৰ, লাহেশ্বৰ—

লাহেশ্বৰ—(ভিতৰৰ পৰা) দেউতা গৈছো।

(লাহেশ্বৰ আহে)

ভৱ—তইঁতে এযাবত কেতিয়াও নেমাত।

লাহে—যেতিয়াই "লাহেশ্বৰ" বুলি মতা মোৰ কাণত পৰিছে তেতিয়াই ওলাই আহিছো, কি কৰিব লাগে হুকুম কৰক।

ভৱ—চন্দ্ৰাক ক দুই কাপ চাহ কৰি দিব লাগে।

লাহে—ভাল দেউতা, মই কিন্তু দেউতা কথা এযাৰ কৈ থও, বিছুতো এনেয়ে যাব নহয়, মোক ঘৰলৈ যাবলৈ দিয়ক।

ভৱ—কি বিহু বিহু মাৰি থাক সদায়, ইয়াত খাবলৈ পোৱা নাই নে কি? দেখিছানে বকৱা ইহত বিহু বুলিয়েই পাগল। ঘৰলৈ গৈ খাব কিতো কিছুমান তেলত ভজা পিঠা, আৰু চিৰা আখৈ এগালত কিছুমান গেলা টেঙা দৈ বাকী গুৰ এসোপা মিহলাই সেই সোপাও পেটলৈ পঠিয়াব, সেইখনকে বিহু খাব, যা কলৈ চাহৰ কথা। (লাহেশ্বৰ যায়)

পৱন—বিহুত আৰু কি কৰিব জানানে নেজানা? খোল কোবাই হাই কৰিব। হাতত জেতুকানে কেতুকাৰ ৰং কিছুমান সানিব, কাণে মূৰে নতুন গামোচাও লব, নতুন কাপোৰ কানিও পিন্ধিব, সেইখনকে বিহু পাতে।

ভৱ—খোল কোবাই হাই কৰি যি পয়চা পাব তাৰে কি কৰিব কব পাৰানে?

পৱন—কেলেই নোৱাৰো নিমখ কিনিব।

ভৱ—দেখিছা অসমীয়াৰ নিমখত চখ।

পৱন—মাঘৰ বিহু বোলাতোতো খৰি কিছুমান উধাই মুধাই পুৰিব ভোজ খাব জলপান খাব। কাতি কিছু বোলা বিহু এটাও আছে। সেইটোতো কিছুমান তেলত ভজা পিঠা আৰু চিৰা আখৈ কিছুমান তেজা দৈবে দৈতে খাই বিহু খালো বুলি উগাৰ মাৰি ফুৰিব।

ভৱ—নিমখ কিনি খোৱাতকৈ লোজেন্স কিনিও খাব পাৰে দেখোন।

(কলাই আহে)

কলাই—দেউতা ভিতৰৰ সকলো কাম শেষ কৰিলো এতিয়া ঘৰলৈ যাওঁ বিহু হৈছে নহয় লাহেশ্বৰ এইবাৰ নেযাই।

(লাহেশ্বৰ আহে)

লাহেশ্বৰ—মই নেযাম বুলিছিলোনে ?

ভয়—ভাল বিহু পাগল দুটাক মোৰ ঘৰত ঠাই দিলো।

কলাই—দেউতা লাহেশ্বৰৰ সৈতে মোৰ বন্দবস্ত আছিল যে সি মাঘৰ বিহুত যাব মই বহাগৰ বিহুত যাম। সি মাঘৰ বিহুত গৈ আহিলে নহয় দেউতা।

লাহেশ্বৰ—দেউতা একেবাৰে মিছা কথা। মই তেনেকুৱা কোনো বন্দবস্ত কৰা নাই যেন লাগে।

ভয়—এটাও যাব নোৱাৰ। দেখিছানে বকুৱা এই অসুৰ কেইটা, বিহুৰ নামত বলিয়া অকল ইহঁতেই নহয় গোটেই অসমীয়া জাতিতোৱেই বলিয়া।

পৱন—আমি ভাই চাহাব হৈ ওপজা হলে বৰ ভাল আছিল। অসমীয়া হৈ উপজি বহুত সুখৰ পৰা বঞ্চিত হৈ আছো।

ভয়—ঠিক কলা ভাই, (অলপ বৈ) মোৰ এক কথা ইহঁত কোনো এটাকে যাবলৈ নিদিও।

কলাই—সেইটোহে কলেগৈ দেউতা।

পৱন—নগলে নহয়নে ?

লাহে—বছেৰেকৰ মূৰত বিহুতো আহিছে, গলে এৰচৰলৈ যাব নহয়।

ভৱ—সিবছৰলৈ যাবি।

লাহে—নহয় নহয় দেউতা এই বছৰেই যাও।

পৱন—সিবছৰলৈ তই মৰিবিনে কি?

লাহে—এস দেউতা আপদ চোচোৰাই কেলেই। আই-বোপাইৰ কি গতি হব।

পৱন—কি গতি হব আৰু। কেইদিনমান কান্দিব তাৰ পাচত হাঁহিব।

লাহে—দেউতা কলাই থক মোক যাবলৈ দিয়ক।

কলাই—দেউতা লাহেশ্বৰ থক মোক যাবলৈ দিয়ক।

ভৱ—ছুইটিয়েই থাকা, কোনো এটি যাব নেলাগে।

লাহে—(কলাইক) কলাই, তোৰ পৰাহে মই যাব নোৱাৰা হলো।

কলাই—(লাহেশ্বৰক) তইহে মোক খালি।

ভৱ—ইয়াতে থাক। নানা ৰকমৰ নাচ-গান দেখিবলৈ পাবি। মই বাঈজী নাচো আনিম।

লাহে—সেইবোৰ বৰ ভাল নেলাগে দেখোন।

পৱন—তইত বান্দৰে নাৰিকলৰ মোল কি বুজিবি।

ভৱ—সচাকৈয়ে তইঁতে একোৰে মোল নুবুজ। আমি খোৱা জলপানৰ মোল নুবুজ।

লাহে—(মনে মনে) শুকান টিকিৰাহে খায়।

ভৱ—আমাৰ নাচ-গানৰ মোল নুবুজ। বুজ খালি, ঢোল, পেঁপা, টকা, চিৰা, সান্দহ, তেলত ভজা পিঠা, গুৰ,

টেঁঙা দৈ গাখীৰ, বিহু আৰু হুচৰি।

(লৰা এটাই এখন চিঠি ভৱকান্তৰ হাতত দি যায় হি)

ভৱ—(চিটিখন খুলি চাই) শুনা বৰুৱা এইখন চিঠি খগেন বৰুৱাই দিছে। মই পঢ়ি যাওঁ—"প্ৰিয় বৰুৱা, আমি কেইজনমান বন্ধুৱে গোটখাই অসমৰ পৰা বিহু প্ৰথা উঠাই দিম বুলি প্ৰতিজ্ঞা কৰি আজি আপোনাৰ ঘৰত এখন সভা পাতিবলৈ ঠিৰাং কৰিছোঁ।"

পৱন—ধন্য ধন্য খগেন বৰুৱা, তোমালোক দেশৰ সুসন্তান তোমালোকৰ পৰা দেশ দুই ইঞ্চি উন্নতিৰ খাপত উঠিব বুলি মই প্ৰাণ খুলি কলো।

ভৱ—শুনিছ লাহেশ্বৰ, কলাই, আমাৰ দেশৰ মানুহে বিহুক আমাৰ দেশৰ পৰা খেদাই দিব খুজিছে, সেই বিহুকে তইঁতে আকৌ খাবলৈ ওলাইছ।

লাহে—য'লৈকে খেদাই ত'লৈকে আমিও যাম। তাতে খামগৈ।

কলাই—তাতে খামগৈ।

ভৱ—বৰুৱা তুমিয়েই চিঠিখন পঢ়াচোন, আখৰবোৰ মই ৰৰ সৰু পাইছো।

(ভৱকান্তই চিঠিখন পৱনৰ হাতত দিয়ে)

লাহে—(মনে মনে) আখৰ সৰু নহয়, পঢ়িবহে নোৱাৰে।

কলাই—(মনে মনে) এখেতে কিজানি আকৌ আখৰ বৰ ডাঙৰ পাই পঢ়িব নোৱৰা হয়।

পৱন—(পঢ়ি) আপোনাৰ ঘৰত পভাৰ উদ্দেশ্য আপোনাৰ ঘৰত চকি মেজ বহুত আছে। চাহপানীৰ জোগাৰতোও ভালকৈ ৰাখিব। সভাপতি মৃগেন দত্ত, আপুনিও' তুষাৰমান কৰ বুলি আশা কৰা হল।

ভৱ—মইও তুষাৰমান কৰ লাগিব। কি সুন্দৰ কথা। চকুৰে বৰ্ণাব নোৱাৰি। ভাবেৰে দেখিব নোৱাৰি। লাহেশ্বৰ লাহেশ্বৰ চাহপানীৰ খবৰ কি ? আজি এই সুখৰ দিনত এটোপা চাহপানী প্ৰাণ ভৰি খোৱা হক।

লাহে—আইদেউৱে গাখীৰ নাই বুলি কৈছে।

ভৱ—হক কোনো কথা নাই

দুগ্ধ বিহিন চাহ।
থাক বোলে ভাষাবিদ্
ৰঙা ফিকা চাহ
সেই চাহকেই খাই
আজি এই সুখৰ দিনত
আনন্দত প্ৰাণ নচুৱায়।

পৱন—যোৱা লাহেশ্বৰ আনা ফিকা চাহ।

(লাহেশ্বৰ যায়, কলাই আহে)

কলাই—দেউতা মোৰ ঘৰলৈ যোৱাৰ কথা কি কৰিলে।

(লাহেশ্বৰ আহে)

লাহে—দেউতা মোৰ কথাও নেপাহৰিব। পিঠিকালে দেউতা মই আৰু ইয়াত নেথাকিম। দৰমহা যি বাকী বল বল।

কলাই—মোৰো একে কথা। চাৰিমাহৰ পইচা পোৱা নাই।

সকলো এৰি ঘৰৰ ফালেহে যাত্ৰা কৰিম।

ভৱ—হেৰ বিহুৰ কাৰণে আৰু বলিয়া নহবি। আমি বিহু উঠামেই।

কলাই—দেউতা বিহু উঠাই থুঠাই থিয় কৰাই বহুৱাই সেই-বোৰ আমি একো নেজানো। আজি যামেই। একেবাৰে যাম। যদি জাবলৈ নিদিয়ে।

লাহে—মইও, মইও।

ভৱ—(মনে মনে) পুৰণা মানুহ ইহত। মোলৈ ভয়ো নকৰে ইহত একেবাৰে গুছি গলে মোৰ বৰ জুলুম হব। (ফুটাই) বাৰু আমাৰ এই মিতিংখন হৈ যক। তেতিয়া তহত জাবি।

লাহে—(মনে মনে) মন্ত্ৰ ফাকি হলে ভাল দেই, একেবাৰে ওলাই যাম বুলিলতহে যাবলৈ দিছে, নহলে যাবলৈ দিয়া মানুহ নহয়। (যায়)

কলাই—(মনে মনে) টানত পৰি ৰাম বুলিছে, নহলে চকু পোন্দাই "নোৱাৰ" যাব। (যায়)

ভৱ—বিহু উঠাবই লাগিব।

পৱন—নিশ্চয় উঠাব লাগিব।

ভৱ—লাহেশ্বৰ চাহ হৈছেনে নাই।

লাহে—(ভিতৰৰ পৰা) ভিতৰতে দিছো আহক।

ভৱ—বলা ভাই ভিতৰলৈকে।

পৱন—তেমে ভিতৰলৈ মাতিছে যেতিয়া চাহৰ লগত লুচিও

দিব পায় দেই। (দুয়ো উঠে)

ভয়—আজিৰ সভাখনত কথা কবলগীয়া হোৱাৰ কাৰণে মোৰ বুকুখন ধপধপাই আছে। কাৰণ মই কোনো দিন সভাত কথা কোৱা নাই।

পৱন—ভয় নাই মই আছো।

ভয়—তুমি মোক ভাত আৰু কৈ দিব পাৰিবানে?

পৱন—তথাপিও মই তোমাৰ ওচৰত বহি থাকিলে তোমাৰ অলপ সাহস থাকিব।

ভয়—থিক কৈছা অ' লাহেশ্বৰ।

(লাহেশ্বৰে ভিতৰৰ পৰা দেউতা বুলি মাতে)

কলাইকো মাতি আনি এই চকি বিলাক আৰু মেজখন চাফা কৰি পেলা। আৰু ভিতৰত আৰু কিমান কি আছে সেই বিলাক আনি ইয়াত থহি।

লাহেশ্বৰ—(ভিতৰৰ পৰা) ভাল দেউতা চাহপানী খাবলৈ আহক, নহলে সেইবোৰ চাহপানী নহৈ শীলপানী হব।

পৱন—বলা ভাই। (দুয়ো যায় লাহেশ্বৰ আহে)

লাহেশ্বৰ—অ' কলাই, কলাই ই শুনিছে কিন্তু শুনিও নাইমতা হেৰ নেমাত কেলেই, শুনি নেমাতিলে কাণ কলা হয় বুলি নেজাননে? (কলাই আহে)

কলাই—কেলেই চিঞৰি আছ অ'।

লাহেশ্বৰ—হাকিমে তোক এই চকি মেজ বিলাক চাফা কৰিবলৈ কৈছে। আৰু ভিতৰত থকা চকি খিনিও

উলিয়াই আনিবলৈ কৈছে।

কলাই—তোক হবলা চকিত বহি মোৰ কাম চাবলৈ কৈছে ছুয়োটাকে কোৱা নাই মই শুনিছে আছিলো।

লাহে—মোক কেলেই কব। তই শুনিলি কিবাতো।

কলাই—ব হাকিমক সুধি আহো।

(যাব খোজে)

লাহে—আহ আহ নেলাগে সুধিবলৈ যাব। সিমান সক কথা এটা সুধিবলৈ যাব নেলাগে। ছুয়ো কামত লাগো আহ। ঘৰলৈও শোনকালে যাব লাগে। প্ৰথমেই চকি খিনিকে মুচি লওঁ, ফটাকানি ছুখন আনিলেহে হব। ব মই লৈ আহো।

(লাহেশ্বৰে ফটাকানি এখন লৈ আহে)

লাহে—(ফটাকানি ফালি) হো, ল এই টুকুৰা, এলাহ নকৰিবি কামত লাগি যা।

(কলায়ে লয়)

কলাই—ইস্ ই মোকো আকৌ কথা শিকাবলৈ আহিছে। (লাগি যায়) এলাহ নকৰিবি কামত লাগি যা। হেৰ তোৰ নিচিনা মই এলেহুৱা নহয়।

লাহে—হেৰ বেলি হৈছে। মোচ চকি বিলাক। বিহু উঠুৱাৰ সভা হব।

কলাই—কি বিহু উঠিব। বিহু বহিবহে।

(লাহেশ্বৰে কলায়ে চকি বিলাক' মুচিবলৈ ধৰে)

কলাই—ঘৰলৈ যাবলৈ পাইছো যেনিবা।
লাহে—সোনকালে সভাখন হৈ গলেই হয়।

(দুয়ো চকি মুচি থাকে আৰু লগে লগে তলত দিয়া গীতটি দুয়ো গায়।

বিহুৰেঐ বতৰা পালে হেৰ বান্ধৈঐ
মনেনো উক উক কৰে।
বিহুৰে ঐ বতাহ ঐ লাগিলে ঐ শৰীৰত
শতেক ঐ জেউতী চৰে॥

কলাই—সেইজনে শুনিলেহি চকু বড়াকৈ ধৰিব।
লাহে—থ, থ।

(ভৰকান্ত আৰু পৱন আহে)

ভৰকান্ত—সৌৱা, খগেন বৰুৱাইঁত পালেহিয়েই কি কৰিম এতিয়া মই। ময়ো সভাত কথা কব লাগিব। তেওঁৰ লগত মানুহো বহুত আহিছে, কলাই, লাহেশ্বৰ, চকি মেজ যত যি আছে উলিয়াই আন।

(লাহেশ্বৰ, কলাই যায়, তেনেতে খগেন বৰুৱাইঁত পায়হি)

পৱন—আহক বৰুৱা।
খগেন—আহিছো বিহু উঠাম বুলি।

(এনেতে নেপথ্যত তলত দিয়া বিহু নামতী কোনোবাই সমস্বৰে গায় সকলোৱে কাণ পাতি শুনে)

নাম

নাহৰ ফুলে ফুলিলে কপৌ ফুলে ফুলিলে
চৰায়ে ঐ তুলিলে বোল।
আহিলে ঐ বিহুতী মোৰে হেৰ ভাইটি
সানিল ঐ জেতুকাৰ বোল॥

খগেন—বৰ সুৰলা শুনিবলৈ।

(আকৌ গায়)

বিহুৰেই গামোচা মোৰ
চিকি মিকি জলে ঐ তাতেনো পাৰি দিয়া
ঝিকি মিকি কৰি ৰঙা ফুল।

খগেন—বৰ নোৱাৰো, আমাৰ বিহুও সুন্দৰ, বিহু নামো সুন্দৰ।
(সকলোৱে নাচিবলৈ ধৰে, কলাই লাহেশ্বৰে হাতত চকি ডুখন লৈ ওলাই আহি সকলোৱে নাচি থকা দেখি চকি ডুখন মাটিত থৈ সিহঁতেও নাচিবলৈ ধৰে)।

যবনিকা

—০:(X):০—